# গ্ৰীণহাউচ গেছ আৰু কাৰ্বন ফুটপ্ৰিণ্ট:

- জ্যোৎস্না দাস, নগৰবেৰা

বৰ্তমানৰ যুগটোৱেই হৈছে বিজ্ঞানৰ যুগ। নিত্য নতুন আৱিষ্কাৰেৰে আমাৰ চৌপাশ ভৰি আছে। আমি যেন উশাহ লবলৈকে ও পাহৰি যাম বিজ্ঞানৰ অৱদানৰ অবিহনে। আমি হয়তো ভালপাম কিনি অনা অক্সিজেনেৰে উশাহ লবলৈহে। ভাব হয়, এদিন হয়তো এনেকুৱা অৱস্থা হব যে বিশুদ্ধ অক্সিজেন বজাৰতহে উপলব্ধ। নতুন নতুন কোম্পানীৰ বিজ্ঞাপন হব ইয়াত আটাইতকৈ বিশুদ্ধ অক্সিজেন পোৱা যায় বুলি।

সঁচাকৈয়ে বৰ্তমানটোক লৈ আমি ইমানেই ব্যস্ত হৈ পৰিছো যে আজিৰ কৰ্মকাণ্ডই ভৱিষ্যতে নালাগে কাইলৈ হব পৰা বিষময় ফলটোৰ কথা ভাবিবলৈকে যেন আমাৰ কাৰোৱেই আহৰি নাই। কেৱল বৰ্তমানৰ সুখ আৰু নাম-যশক লৈয়ে আমি ব্যস্ত।

এতিয়া আহো গ্ৰীণহাউছ গেছ আৰু কাৰ্বন ফুটপ্ৰিণ্টৰ কথালৈ। কাৰ্বন ফুটপ্ৰিণ্টৰ ধাৰণাটো আচলতে নতুন, যিটো গ্ৰীণহাউছ গেছৰ পৰাই হব পৰা এটা সমস্যা। গ্ৰীণহাউছ গেছ আমাৰ পৰৱেশৰ এনে এটা বায়ুমণ্ডলীয় তৰপ যি পৃথিৱীখনক এক নিৰ্দিষ্ট উষ্ণতাত সন্তুলিত কৰি ৰাখিছে। এই গেছে পৃথিৱীখনক এখন কম্বলৰ দৰে আৱৰি জীৱজগতক যেনেকৈ অত্যন্ত শীতৰ পৰা বচাই ৰাখিছে ঠিক তেনেকৈ অত্যন্ত উষ্ণ অৱস্থা এটাৰ পৰাও বচাই ৰাখিছে- এক প্ৰাকৃতিক ৰক্ষা কৱচ হিচাপে। মুঠতে এই গ্ৰীণহাউছ গেছেই পৃথিৱীখনক জীৱ বৰ্তি থকাৰ এক অনুকূল বাতাৱৰণ আনি দিছে। এই গেছেই সূৰ্যৰ তাপমাত্ৰাৰ কিছু অংশ শোষণ কৰি আমাক শীতৰ পৰা বচাই ৰাখিছে আৰু কিছু অংশ ওভোটাই পঠিয়াই আমাক অত্যন্ত গৰমৰ পৰা ৰক্ষা কৰি আছে। এয়া হৈছে জীৱজগতৰ ওপৰত গ্ৰীণহাউছ গেছৰ সাধাৰণ প্ৰভাৱ।

কিন্তু এই জীৱজগতখনক সুৰক্ষা প্ৰদান কৰা গ্ৰীণহাউছ গেছ সমূহৰ মাত্ৰা দিনক দিনে বাঢ়ি আহিছে যাৰ বাবে গোলকীয় উষ্ণতা বৃদ্ধিৰ আশংকা কৰা হৈছে। লগতে নানা প্ৰাকৃতিক পৰিঘটনাৰ পৰিৱৰ্তনে দেখা দিছে আৰু এক অসন্তুলিত বাতাৱৰণৰ সৃষ্টি হৈছে- যি পৃথিৱীখনৰ বাবে হানিকাৰক। এই হানিকাৰক মুখ্য গ্ৰীণহাউছ গেছকেইটা হ’ ল — কাৰ্বন-ডাই-অক্সাইড, মিথেন, নাইট্ৰাছ অক্সাইড, ফ্ল ’ ৰ’ -কাৰ্বনছ আৰু অন্যান্য।

গোলকীয় উষ্ণতা বৃদ্ধি কৰা মুখ্য গ্ৰীণহাউছ গেছটোৱেই হ’ ল কাবৰ্ন-ডাই-অক্সাইড ( CO2)। এই CO2 জীৱাশ্ম ইন্ধন জ্বলোৱাৰ ফলত, কাৰখানা-মটৰ গাড়ীৰ পৰা ওলোৱা ধোৱাৰ ফলত, যধে মধে

গছ-বন কটাৰ ফলত আৰু বিভিন্ন উৎসৱ-পাৰ্বনত জ্বলোৱা ফটকা-ফুলজাৰি আদিৰ প্ৰভাৱত বৃদ্ধি হৈছে।

গ্ৰীণহাউছ গেছৰ বৃদ্ধিত অৰিহণা যোগোৱা দ্বিতীয় মুখ্য অনুঘটকটো হৈছে মিথেন( $CH_4$)। ই জলাহ বা পিটনি, মৃত পশু-পক্ষী, কয়লাখনি, তেলৰ খাদ, ধানখেতিৰ নৰা আদিৰ পৰা নিৰ্গত হয়।

তৃতীয় হানিকাৰক গেছটো হৈছে নাইট্ৰাছ অক্সাইড ($N_2O$)

; যি মানুহ, পশু-পক্ষীৰ মল-মূত্ৰ, নাইট্ৰজেন যুক্ত সাৰ, জাবৰ-জোঁথৰ পেলোৱা ঠাই, মেছিন আদিৰ পৰা ওলোৱা ধোঁৱাৰ পৰা নিৰ্গত হয়। ই পৰিৱেশত দীৰ্ঘদিনীয়া প্ৰভাৱ পেলায়।

গোলকীয় উষ্ণতা বৃদ্ধি কৰা আৰু এটা হানিকাৰক অপ্ৰাকৃতিক গেছ হ' ল ফ্ল' ৰ' কাৰ্বনছ য' ত CFC আৰু HFC থাকে। যিয়ে বায়ুমণ্ডলত গেছীয় পদাৰ্থৰ মাত্ৰা বঢ়োৱাৰ লগতে বায়ুমণ্ডলীয় উষ্ণতা বৃদ্ধি কৰে আৰু অ' জ' নৰ তৰপতো প্ৰভাৱ পেলায়।

এই গেছসমূহে পৃথিৱীৰ উষ্ণতা বৃদ্ধিৰ লগতে বানপানী, খৰাং বতৰ, হিমবাহৰ গলন, সাগৰীয় জলপৃষ্ঠৰ বৃদ্ধি, উদ্ভিদ প্ৰজাতিৰ বিলুপ্তিৰ লগতে মানুহৰ দেহত নানান বেমাৰৰ সৃষ্টি কৰিছে। কাৰ্বন সমৃদ্ধ গ্ৰীণ হাউচ গেছ সমূহেই প্ৰকৃততে কাৰ্বন ফুটপ্ৰিণ্ট। কিয়নো কাৰ্বন ফুটপ্ৰিণ্ট হৈছে এজন মানুহ বা এটা ঔদ্যোগিক প্ৰতিষ্ঠানে বিভিন্ন কাৰ্য্যৰ দ্বাৰা প্ৰত্যক্ষ বা পৰোক্ষ ভাবে নিৰ্গত কৰা গ্ৰীণ হাউচ গেছৰ মুঠ পৰিমাণ। ই প্ৰধান কৈ জৈৱিক ইন্ধন সমূহৰ দহনৰ ফলত উৎপন্ন হয়, যি সমূহ ইন্ধনৰ প্ৰধান উপাদান হৈছে কাৰ্বন। এই কাৰ্বনৰ অতিমাত্ৰা দহনৰ বাবে প্ৰধানতঃ মানুহৰ কাৰ্য্যকলাপেই দায়ী। প্ৰতিটো খোজতেই মানুহে কাৰ্বন যুক্ত গেছৰ পৰিমাণ বৃদ্ধি কৰি আহিছে। আমি মানুহে এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ ব্যৱহাৰ কৰা গাড়ী মটৰ আদিত ইন্ধন হিচাপে ডিজেল পেট্ৰল আদি ব্যৱহাৰ কৰো যাৰ দহনত $CO_2$ উৎপন্ন হৈ বায়ুমণ্ডল প্ৰদূষিত কৰে। আকৌ আধুনিক জীৱনৰ অপৰিহায্য বৈদ্যিতিক সা সৰঞ্জামৰ বাবে প্ৰয়োজনীয় বিদ্যুত উৎপাদনতো কয়লাৰ দহন ঘটি যথেষ্ট পৰিমাণে $CO_2$ উৎপন্ন হয় আৰু গ্ৰীণ হাউচ গেছৰ পৰিমাণ বৃদ্ধি কৰে। অৰ্থাৎ কাৰ্বন ফুট প্ৰিণ্টৰ পৰিমাণ বাঢ়ি যায়।

যিয়েই নহওক, কাৰ্বন ফুট প্ৰিণ্ট অথবা গ্ৰীণ হাউচ গেছৰ পৰিমাণ হ্ৰাস কৰিবলৈ চেষ্টা কৰাটোৱেই হৈছে আমাৰ প্ৰধান কৰণীয়। সেয়েহে ওচৰৰ ঠাইলৈ গলে খোজ কঢ়া, চাইকেল চলোৱাৰ অভ্যাস, দূৰণীয়া বটীয়া ঠাইলৈও যাবলৈ হলে ব্যক্তিগত যান বাহনৰ সলনি চৰকাৰী বাছ ৰেল আদি ব্যৱহাৰ কৰাৰ লগতে অনাহকত যাতে বিদ্যুতৰ অপচয় নহয় তাৰ প্ৰতি লক্ষ্য ৰখা উচিত। বনানিকৰণৰ দ্বাৰা

আৰু গছ কটা কাম কিছু গ্ৰাস কৰি আমি আমাৰ ভৱিষ্যত প্ৰজন্মলৈ এখন সুন্দৰ সেউজীয়া পৃথিৱী গঢ়াৰ সপোন ৰচিব পাৰো।